Total No. of Printed Pages—3

**6 SEM TDC ASMH (CBCS) C 14**

**2023**

( May/June )

ASSAMESE

( Core )

Paper : C–14

**( অসমৰ ভাষা আৰু লিপি )**

**( Language and Script of Assam )**

*Full Marks* : 80
*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) 'অসমত প্ৰচলিত আৰ্যমূলীয় ভাষা'—এই বিষয়ত এটি আলোচনা আগবঢ়োৱা। ১৫

অথবা

(খ) অসমত আৰ্যভিন্ন কোন কোন পৰিয়ালৰ, কি কি ভাষাৰ প্ৰচলন আছে? সেইবোৰৰ এটি পৰিচয়সূচক আলোচনা আগবঢ়োৱা। ৫+১০=১৫

২। (ক) অসমীয়া ভাষাৰ উজনিৰ উপভাষা আৰু নামনিৰ উপভাষাৰ মাজত ধ্বনিগত, ৰূপগত আৰু শব্দগত দিশত কেনেধৰণৰ পাৰ্থক্য দেখা যায়, আলোচনা কৰাঁ। ১৫

*অথবা*

(খ) অসমীয়া ভাষাৰ ধ্বনিগত আৰু ৰূপগত বৈশিষ্ট্যৰ বিষয়ে আলোচনা কৰাঁ। ১৫

৩। (ক) তিব্বত-বৰ্মীয় শাখাৰ ভাষাবোৰৰ উমৈহতীয়া বৈশিষ্ট্য উল্লেখ কৰি বড়ো ভাষাৰ ধ্বনিগত বৈশিষ্ট্যৰ বিষয়ে আলোচনা কৰাঁ। ৭+৮=১৫

*অথবা*

(খ) অসমত প্ৰচলিত টাইমূলীয় ভাষাকেইটাৰ নাম উল্লেখ কৰি খামতি ভাষাৰ ভাষিক বৈশিষ্ট্যৰ বিষয়ে আলোচনা কৰাঁ। ৩+১২=১৫

৪। (ক) অসমীয়া ভাষাৰ ৰূপগত আৰু শব্দগত দিশত আৰ্যভিন্ন ভাষাৰ উপাদানৰ বিষয়ে আলোচনা কৰাঁ। ৭+৭=১৪

*অথবা*

(খ) চমু টোকা লিখাঁ (যি কোনো দুটা) : ৭×২=১৪

(১) অসমৰ আৰ্যভিন্ন ভাষাত অসমীয়া ভাষাৰ উপাদান

(২) অসমীয়া ভাষাৰ ধ্বনিগত দিশত আৰ্যভিন্ন ভাষাৰ উপাদান

(৩) অসমীয়া ভাষাত অষ্ট্ৰিকমূলীয় শব্দ





৫। (ক) অসমীয়া লিপিৰ ক্ৰমবিকাশ সম্বন্ধে এটি আলোচনা আগবঢ়োৱাঁ। ১৫

*অথবা*

(খ) চমু টোকা লিখাঁ : ৫×৩=১৫

(১) অসমৰ জনজাতীয় ভাষাৰ লিপি

(২) নগাজৰী খনিকৰ গাঁৱৰ লিপি

(৩) ব্ৰাহ্মী লিপি

৬। উত্তৰ দিয়াঁ : ১×৬=৬

(ক) অসমত প্ৰচলিত উত্তৰ-অসম শাখাৰ এটা ভাষাৰ নাম লিখাঁ।

(খ) অসমীয়া ভাষাৰ অঘোষ পশ্চতালব্য উষ্মধ্বনিটো কি?

(গ) 'চেলাউৰি' শব্দটো কোন ভাষাৰ পৰা অহা?

(ঘ) স্বৰৰ অনুনাসিকতা অসমীয়াত বৰ্ণগত হয়নে?

(ঙ) অসমীয়া লিপিৰ মূল কি?

(চ) 'অসমীয়া প্ৰাচীন লিপি' পুথিখন কাৰ ৰচনা?

★★★